**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 02-05-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত আজি চাৰে ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি চাৰে ৪ বজাত সামৰণি পৰিব। ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

**মাজুলীত** ১৯১ টা কেন্দ্ৰত ২০ খন পঞ্চায়তৰ ২০০ টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। জিলাখনত এইবাৰ মুঠ ভোটদাতাৰ সংখ্যা ১ লাখ ৪২ হাজাৰ ৪২৪। **তিনিচুকীয়া** জিলাত এহেজাৰ ৭৮ টা ভোটগ্ৰহণ কেন্দ্ৰত ৮ লাখ ৩১ হাজাৰ ভোটদাতাই ভোটদান কৰিব।

**শোণিতপুৰ** জিলাত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত সৰ্বমুঠ ৬৮ টা ভোটগ্ৰহণ কেন্দ্ৰত মহিলা ভোটগ্ৰহণকাৰী বিষয়া নিয়োগ কৰা হৈছে। ঢেকিয়াজুলি বিধানসভা সমষ্টিত ৮টা, বৰছলাত ৯টা, তেজপুৰত ৪১ টা আৰু ৰঙাপৰাত ১০ টা কেন্দ্ৰত মহিলা ভোটগ্ৰহণকাৰী বিষয়া নিয়োগ কৰা হৈছে।

**হাইলাকান্দি** জিলাত ১৭০ টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ বুলি গণ্য কৰা হৈছে। জিলাখনত সৰ্বমুঠ ৬৮৯ টা কেন্দ্ৰত ৪ লাখ ৪৯ হাজাৰ ১৮৮ গৰাকী ভোটদাতাই ভোটদান কৰিব।

**গোলাঘাট** জিলাত প্ৰথম পৰ্যায়ত পাঁচটা বিধানসভা সমষ্টিৰ ২০খন জিলা পৰিষদ, ১০৮খন আঞ্চলিক পঞ্চায়ত আৰু এহেজাৰ ৮০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ আৰম্ভ হৈছে। জিলাখনত স্থাপন কৰা এহেজাৰ ১৬৪টা কেন্দ্ৰত ৭ লাখ ৮৯ হাজাৰ ১২৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ২২৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হৈছে।

**শিৱসাগৰ** জিলাত বেতবাৰী আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছৰ দলৰ প্ৰাৰ্থী অচ্যুতানন্দ গগৈৰ আকস্মিক মৃত্যুৰ পৰিপ্ৰেক্ষিতত বেতবাৰী আঞ্চলিক পঞ্চায়ত নিৰ্বাচন স্থগিত ৰখা হৈছে। ফলস্বৰূপে আজি জিলাখনৰ চাৰিখন আঞ্চলিক পঞ্চায়ত, ১২খন জিলা পৰিষদ, ৮২খন গাঁও পঞ্চায়ত আৰু ৮২০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। ৮৫৮টা কেন্দ্ৰত এই ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। জিলাখনত দুহেজাৰ ২৯১গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ইয়াৰে ২১৬ গৰাকী আঞ্চলিক পঞ্চায়ত, ৩৭ গৰাকী জিলা পৰিষদ আৰু এহেজাৰ ৩৮ গৰাকী গাঁও পঞ্চায়ত সদস্যপদৰ প্ৰাৰ্থী। জিলাখনত ৫ লাখ এহেজাৰ ১৫১ গৰাকী ভোটদাতা আছে।

চৰাইদেউ জিলাৰ **সোণাৰী** বিধানসভা সমষ্টিৰ অসম-অৰুণাচল আৰু অসম-নাগালেণ্ড সীমান্তৱৰ্তী স্পৰ্শকাতৰ অঞ্চলসমূহত নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে।

**ডিব্ৰুগড়** জিলাত ৮ লাখ ৭১ হাজাৰ ৯৭৫ গৰাকী ভোটদাতাই পঞ্চায়ত নিৰ্বাচনত ভোটৰ অধিকাৰ সাব্যস্ত কৰিব।

**ধেমাজি** জিলাতো আজি ৫ লাখ ১০ হাজাৰ ৫৩৭ গৰাকী ভোটদাতাই ৭২৭টা ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। জিলাখনত এহেজাৰ ৮০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

**বিশ্বনাথ** জিলাৰ ৭৪৭টা ভোটকেন্দ্ৰত ৪ লাখ ৭৪ হাজাৰ ৯২৭ গৰাকী ভোটদাতাই এহেজাৰ ৩১২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

ইপিনে, দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন হ'বলগীয়া জিলাসমূহত জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে ৰাজনৈতিক দলসমূহেও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

ooooo

অহা ১১ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈছে। শাসকীয় বিজেপি আৰু অসম গণ পৰিষদৰ লগতে কংগ্ৰেছ তথা আন ৰাজনৈতিক দলসমূহেও প্ৰচাৰ চলাই আছে। ইয়াৰ মাজতে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি হাজো-শুৱালকুছি বিধানসভা সমষ্টিত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ড০ শৰ্মাই শুৱালকুছিৰ বালিচৰ আৰু বংশৰ চ'কত শুৱালকুছি জিলা পৰিষদৰ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ধীৰাজ মহন্ত আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যপদৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰত ভাগ ল'ব।

ooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে অনলাইন ট্ৰেডিঙক লৈ বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা দুগৰাকী অভিযুক্ত বিশাল ফুকন আৰু তপন বৰা ওৰফে তাৰ্কিক বৰাৰ জামিন মঞ্জুৰ কৰিছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিব জ্যোতি শইকীয়াৰ বিচাৰপীঠে অভিযুক্ত দুজনৰ জামিন মঞ্জুৰ কৰে। দুয়োগৰাকী অভিযুক্ত আজি কাৰাগাৰৰ পৰা মুকলি হোৱাৰ সম্ভাৱনা আছে। ইপিনে, অনলাইন ট্ৰেডিঙক লৈ হোৱা বিত্তীয় অনিয়মৰ আন এগৰাকী অভিযুক্ত চুমি বৰাক বৰবৰুৱা থানাত ৰুজু হোৱা গোচৰত এতিয়াও কাৰাৰুদ্ধ হৈ আছে।

oooooo

গোলাঘাট আৰু কাৰ্বি আংলং আৰক্ষীয়ে কালি সৰুপথাৰ সমজিলাৰ অসম-নাগালেণ্ড সীমান্তৰ ১ নম্বৰ চুঙাজানৰ নাওঘাটত ৬৭১ দশমিক ৯-২ গ্ৰাম হেৰোইন জব্দ কৰে। জব্দ কৰা হেৰোইনখিনিৰ বজাৰ মূল্য ৯ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে এই সংক্ৰান্তত এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে।

ooooooo

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

**সমাপ্ত**